# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 13-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিমান পৰিবহন খণ্ডই ভাৰতবৰ্ষক বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থাৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

২। আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত সামৰি ল'বলগীয়া সকলো যোগ্য জ্যেষ্ঠ নাগৰিকক নতুন আৰু সুকীয়া কাৰ্ড প্ৰদান কৰা হ'ব।

৩। ভাৰত আৰু চীনে নিয়ন্ত্ৰণ ৰেখাৰ বাকী এলেকাসমূহৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি অহাৰ প্ৰয়াসৰ লক্ষ্যত উপনীত হোৱাৰ বাবে ক্ষিপ্ৰতাৰে কাম কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে।

৪। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে চি পি আই এমৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

*আৰু*

৫। চেন্নাইত অনুষ্ঠিত ছাউথ এছিয়া এথলেটিকছ প্ৰতিযোগিতাৰ কালি দ্বিতীয় দিনা ভাৰতে ৯টা সোণৰ পদক অৰ্জন কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিমান পৰিবহন খণ্ডই ভাৰতবৰ্ষক বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থাৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। চৰকাৰে এই খণ্ডৰ জৰিয়তে জনসাধাৰণ, সংস্কৃতি আৰু সমৃদ্ধিৰ সৈতে সংযুক্ত হোৱাৰ বাবে কাম কৰি আছে বুলিও শ্ৰী মোদীয়ে মন্তব্য কৰে। নতুন দিল্লীত কালি অসামৰিক বিমান পৰিবহন বিষয়ক এছিয়া প্ৰশান্ত মন্ত্ৰী পৰ্যায়ৰ সন্মিলনক সম্বোধন কৰি প্ৰধানমন্ত্ৰী গৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, মধ্যবিত্ত শ্ৰেণীৰ ভিতৰত পৰা লোকৰ বৰ্ধিত সংখ্যাৰ ফলত বৃদ্ধি পোৱা চাহিদাৰ বাবে খণ্ডটো চকুত লগা ধৰণৰ প্ৰগতি পৰিলক্ষিত হৈছে। তেওঁ কয় যে ভাৰতৰ বিমান পৰিবহণ খণ্ড উল্লেখনীয় পৰিৱৰ্তনৰ মাজেৰে অগ্ৰসৰ হৈছে আৰু ইয়াৰ ফলত জনসাধাৰণৰ বাবে যাত্ৰা সুগম হৈ পৰিছে আৰু যোগাযোগ ব্যৱস্থা সুদৃঢ় হৈ উঠিছে। ভাৰতত অসামৰিক বিমান পৰিবহণ খণ্ডৰ অভূতপূৰ্ব বিকাশ হোৱা বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, দেশত মাত্ৰ এটা দশকত আমূল পৰিৱৰ্তন হৈছে। শ্ৰী মোদীয়ে কয় যে,

মহিলাৰ নেতৃত্বত হোৱা বিকাশৰ প্ৰতি তেওঁৰ চৰকাৰ বদ্ধপৰিকৰ আৰু অসামৰিক বিমান পৰিবহণ খণ্ডই এই অভিযানত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। দেশৰ মুঠ বিমান চালকৰ প্ৰায় ১৫ শতাংশ মহিলা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেক কৰে। তেওঁ কয় যে, জনসাধাৰণে  ভাৰ্তিপ'ৰ্ট অৰ্থাৎ উলম্বভাৱে বিমানৰ উৰণ আৰু অৱতৰণৰ সুবিধা থকা বিমান বন্দৰৰ উদ্ভাৱনৰ বিষয়ে জনা উচিত। প্ৰধানমন্ত্ৰীয়ে কয় যে, এয়াৰ টেক্সীৰে যাত্ৰা কৰাৰ অৱধাৰণা বাস্তৱত পৰিণত হোৱাৰ সময় সমাগত। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে সকলো সদস্য ৰাষ্ট্ৰই দিল্লী ঘোষণাপত্ৰ গ্ৰহণ কৰাৰ কথা ঘোষণা কৰে। দিল্লী ঘোষণাপত্ৰ, অঞ্চলটোৰ বিমান পৰিবহণ খণ্ডক নতুন শিখৰলৈ লৈ যোৱাৰ দূৰদৰ্শী পৰিকল্পনাস্বৰূপ।

ooooo

আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত সামৰি ল'বলগীয়া সকলো যোগ্য জ্যেষ্ঠ নাগৰিকক নতুন আৰু সুকীয়া কাৰ্ড প্ৰদান কৰা হ'ব। চৰকাৰী সূত্ৰৰ পৰা জানিব পৰা মতে আধাৰ কাৰ্ড অনুসৰি ৭০ বছৰ বা তাতকৈ উৰ্ধৰ ব্যক্তিসকলে এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। এই আঁচনি এসপ্তাহৰ ভিতৰত আৰম্ভ হোৱাৰ সম্ভাবনা আছে। এই আঁচনিখন এপ্লিকেচন আধাৰিত  আৰু জনসাধাৰণে প'ৰ্টেলৰ জৰিয়তে ইয়াৰ বাবে নাম পঞ্জীয়ন কৰিব লাগিব। প'ৰ্টেলত মুখমণ্ডলৰ জৰিয়তে পৰিচয়ৰ সত্যাসত্য নিৰূপণৰ ব্যৱস্থা আৰু ৭০ বছৰ বা ইয়াৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিকৰ বাবে এটা সুকীয়া লিংক থাকিব। সূত্ৰৰ পৰা জানিব পৰা মতে ব্যক্তিগত বীমা অথবা কৰ্মচাৰী ৰাজ্যিক নিগমৰ হিতাধিকাৰীসকলেও এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। কেন্দ্ৰীয় মন্ত্ৰীসভাই বুধবাৰে তিনি হাজাৰ ৪৩৭ কোটি টকা ব্যয়ৰে আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধিনত যিকোনো আয়ৰ ৭০ বছৰ আৰু ইয়াৰ উৰ্ধৰ সকলো জ্যেষ্ঠ নাগৰিকৰ বাবে স্বাস্থ্য বীমাৰ প্ৰস্তাৱত অনুমোদন জনাইছিল। ইয়াৰ ফলত দেশৰ প্ৰায় চাৰে চাৰি কোটি পৰিয়াল আৰু প্ৰায় ৬ কোটি জ্যেষ্ঠ নাগৰিক লাভান্বিত হ'ব।

ooooo

ভাৰত আৰু চীনে নিয়ন্ত্ৰণ ৰেখাৰ বাকী এলেকাসমূহৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি অহাৰ প্ৰয়াসৰ লক্ষ্যত উপনীত হোৱাৰ বাবে ক্ষিপ্ৰতাৰে কাম কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল আৰু চীনৰ কমিউনিষ্ট পাৰ্টীৰ পোলিত ব্যুৰোৰ সদস্য তথা কেন্দ্ৰীয় বিদেশ পৰিক্ৰমা আয়োগৰ সঞ্চালক ৱাং য়িৰ মাজত ৰাছিয়াৰ ছেণ্ট পিটাৰ্ছবাৰ্গত হোৱা বৈঠকত এই বিষয়ত সহমত গঢ়ি উঠে। ব্ৰিকছ ৰাষ্ট্ৰসমূহৰ সুৰক্ষা বিষয়ৰ বাবে দায়িত্বত থকা উচ্চ পৰ্যায়ৰ বিষয়া আৰু ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টাসকলৰ বৈঠকত ভাগ লোৱাৰ সুযোগতে এই আলোচনা অনুষ্ঠিত হয়। বৈঠকত অজিত দোভালে কয় যে, দ্বিপাক্ষিক সম্পৰ্ক স্বাভাৱিক কৰি তোলাৰ বাবে সকলো এলেকাত শান্তি আৰু বাস্তৱিক নিয়ন্ত্ৰণ ৰেখাৰ প্ৰতি সন্মান অতি জৰুৰী। দুয়ো পক্ষই উভয় দেশৰ মাজত সম্পাদিত দ্বিপাক্ষিক চুক্তি আৰু নীতি-নিয়মসমূহ সম্পূৰ্ণ ৰূপে মানি চলা উচিত বুলিও তেওঁ মন্তব্য কৰে। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে যে, দুয়ো পক্ষই ভাৰত আৰু চীনৰ মাজৰ দ্বিপাধিক সম্পৰ্ক উভয় দেশৰ বাবে নহয় বৰং সমগ্ৰ অঞ্চল আৰু বিশ্বৰ বাবে গুৰুত্বপূৰ্ণ বুলি মতপোষণ কৰিছে।

ooooo

চি পি আই এমৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীৰ কালি নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত দেহাৱসান ঘটে। নেতাগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ। চি পি আই এমৰ তৰফৰ পৰা জাৰি কৰা এটা বিবৃতিত এই বুলি কোৱা হৈছে যে শনিবাৰে দিনৰ ১১ বজাৰ

পৰা বিয়লি ৩ বজালৈ প্ৰয়াত য়েচুৰীৰ মৃতদেহ নতুন দিল্লীৰ গোল মাৰ্কেটস্থিত দলৰ মুখ্য কাৰ্যালয় এ কে গোপালন ভৱনত জনসাধাৰণৰ দৰ্শন আৰু শেষ শ্ৰদ্ধা নিবেদনৰ বাবে ৰখা হ'ব। ইয়াৰ পাছতে নেতাগৰাকীৰ মৃতদেহ তেওঁৰ ইচ্ছা অনুসৰি চিকিৎসা গৱেষণাৰ বাবে দান কৰাৰ বাবে অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানলৈ নিয়া হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চি পি আই এমৰ সাধাৰণ সম্পাদকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, সীতাৰাম য়েচুৰী এগৰাকী ছাত্ৰ নেতা আৰু সাংসদ হিচাপে ৰাষ্ট্ৰীয় ৰাজনীতিত প্ৰভাৱশালী আৰু প্ৰৱল কণ্ঠ আছিল। নিৰ্দিষ্ট আদৰ্শৰ প্ৰতি সমৰ্পিত হোৱা স্বত্বেও সকলো দলৰ সৈতে প্ৰয়াত য়েচুৰীৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছিল বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। ৰাষ্ট্ৰপতি গৰাকীয়ে লগতে য়েচুৰীৰ পৰিয়াল আৰু সতীৰ্থসকললৈ সমবেদনা প্ৰকাশ কৰিছে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ শোকবাৰ্তাত কয় যে, সীতাৰাম য়েচুৰীয়ে তেওঁৰ পাঁচ দশকজোৰা কৰ্মজীৱনত ভাৰতীয় গণতন্ত্ৰক সুদৃঢ় কৰাৰ ক্ষেত্ৰত যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছে। নেতাগৰাকীয়ে ৰাজহুৱা সেৱাৰ প্ৰতি অভূতপূৰ্ব প্ৰতিশ্ৰুতিবদ্ধতাৰ চহকী ঐতিহ্য এৰি থৈ গৈছে বুলিও তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে কয় যে, য়েচুৰী বাওঁপন্থীসকলৰ বাবে অগ্ৰনী পথপ্ৰদৰ্শক আছিল আৰু বিভিন্ন ৰাজনৈতিক দৃষ্টিকোণৰ সৈতে সমন্বয় ৰক্ষাৰ সামৰ্থৰ বাবে তেওঁ বিশেষভাৱে জনাজাত আছিল। চি পি আই এমৰ সাধাৰণ সম্পাদকগৰাকীয়ে এগৰাকী প্ৰভাৱশালী সাংসদ হিচাপে চাপ এৰি থৈ গৈছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে দুখৰ এই মুহূৰ্তত য়েচুৰীৰ পৰিয়াল আৰু অনুৰাগীসকললৈ সমবেদনা প্ৰকাশ কৰিছে।

একেদৰে গৃহমন্ত্ৰী অমিত শ্বাহে সামাজি মাধ্যম যোগে য়েচুৰীৰ মৃত্যুক ৰাজনৈতিক জগতৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে নেতাগৰাকীৰ পৰিয়ালৰ সদস্য আৰু বন্ধুবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে এটা শোকবাৰ্তাত কয় যে, দেশৰ বিষয়ে গভীৰ বোধশক্তি সম্পন্ন প্ৰয়াত য়েচুৰী ভাৰত বিচাৰধাৰাৰ সংৰক্ষক আছিল। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কংগ্ৰেছৰ মল্লিকাৰ্জুন খাৰ্গে, চি পি আই এমৰ সাধাৰণ সম্পাদক দি ৰাজা প্ৰমুখ্যে ভালে সংখ্যক বিশিষ্ট ব্যক্তিয়ে য়েচুৰীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী ডাঃ জিতেন্দ্ৰ সিঙে চতুৰ্থ পৰ্যায়ৰ বিশেষ স্বচ্ছতা অভিযানৰ অগ্ৰগতিৰ নিৰীক্ষণৰ বাবে আজি এটা অনলাইন প'ৰ্টেল মুকলি কৰিব। কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়সমূহত স্বচ্ছতা সুনিশ্চিত কৰাৰ বাবে এই বিশেষ অভিযান হাতত লোৱা হৈছে। চৰকাৰে স্বচ্ছতাৰ বাবে প্ৰতিবছৰে দুই অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈ বিশেষ অভিযান ৰূপায়ণৰ সিদ্ধান্ত লৈছে। এই নতুন অভিযানৰ পূৰ্বে ১৬ ছেপ্তেম্বৰৰ পৰা ৩০ ছেপ্তেম্বৰলৈ এটা অভিযানৰ প্ৰাৰম্ভিক পৰ্যায় আৰম্ভ কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

চেন্নাইত অনুষ্ঠিত ছাউথ এছিয়া এথলেটিকছ প্ৰতিযোগিতাৰ কালি দ্বিতীয় দিনা ভাৰতে ৯টা সোণৰ পদক অৰ্জন কৰে। অনিশাই মহিলাৰ দিছ্কাছ থ্ৰোত দেশৰ হৈ প্ৰথমটো সোণৰ পদক দখল কৰে। অনিশাই ৪৯ দশমিত ৯-১ মিটাৰলৈ দিছ্কাছ থ্ৰো কৰি নতুন অভিলেখ গঢ়ে। খেলুৱৈগৰাকীয়ে ২০১৮ চনত এ বাজুৱাৰ ৪৮ দশমিক ৬-০ মিটাৰৰ অভিলেখ ভংগ কৰে। অমানত কাম্বোজে ৰূপৰ আৰু শ্ৰীলংকাৰ জে এইছ গৌৰাংগেনিয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। নীৰু পাঠকে মহিলাৰ ৪০০ মিটাৰ শাখাত দেশৰ হৈ নৱমটো পদক অৰ্জন কৰে। আনহাতে পুৰুষৰ ১১০ মিটাৰ হাৰ্ডেলছত শ্ৰীলংকাৰ ডব্লিউ পি ছানদুন কৌশালায় সোণৰ পদক লাভ কৰাৰ বিপতীৰে নয়ন প্ৰদীপ চাৰ্দেই ৰূপৰ পদক অৰ্জন কৰে।

০০০০০

পেৰিছ অলিম্পিকত ৰূপৰ পদক বিজয়ী জেভলিন খেলুৱৈ নীৰজ চোপ্ৰা আৰু ষ্টিপলছেজ দৌৰবিদ অবিনাশ চাবলে আজি বেলজিয়ামৰ ব্ৰুছেলছত আৰম্ভ হ'বলগীয়া ডায়মণ্ড লীগ ফাইনেলত দেশক প্ৰতিনিধিত্ব কৰিব। আজি প্ৰথম দিনা অবিনাশ চাবলে প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে অৱতীৰ্ণ হ'ব। দ্বিতীয় দিনা নীৰজ চোপ্ৰাই জেভলিন থ্ৰোৰ ফাইনেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০

**সমাপ্ত**